পাঠ- ১০

# আমাৰ যান-বাহন

N5B1T7





➢ সিপিঠিৰ ছবিখন কিহৰ ছবি কোৱা।

ছবিখন চাই কি কি দেখিলোঁ ভাগে ভাগে তলত দিয়া ধৰণে তালিকা কৰোঁ আহা—

| ফল-মূল | শাক-পাচলি | প্ৰাণী | যান-বাহন | অন্যান্য বয়-বস্তু |
|---|---|---|---|---|
| | | | | |

➢ ছবিখনত কি কি বস্তু কিনা-বেচা কৰা দেখিছা কোৱা।



জানি লওঁ আহা—

- হাট-বজাৰত বিভিন্ন ধৰণৰ বস্তু কিনা-বেচা কৰা হয়।
- থলুৱাভাৱে উৎপন্ন কৰা নানা ধৰণৰ বস্তু হাটত কিনা-বেচা কৰা হয়।
- আঁতৰৰ পৰা অহা বেপাৰীসকলেও হাট-বজাৰত বস্তু কিনা-বেচা কৰে।
- হাট-বজাৰত কিনা-বেচাৰ যোগেদি আমাৰ লাগতিয়াল বস্তুবোৰ পাওঁ।
- নাও, চাইকেল, গৰুগাড়ী, ঠেলাগাড়ী, বাছ, ট্ৰাক আদি যান-বাহনেৰে কিনা-বেচা কৰা বয়-বস্তুবোৰ হাট-বজাৰলৈ অনা-নিয়া কৰা হয়।
- হাট-বজাৰত বস্তু বেচি বহু মানুহে জীৱন নিৰ্বাহ কৰে।
- হাট-বজাৰত যে কেৱল বস্তু কিনা-বেচা কৰা হয় এনে নহয়। ইয়াত বিভিন্ন ধৰণৰ মানুহৰ লগত পৰিচয় ঘটে।

ওপৰৰ কথাখিনিৰ পৰা বুজিব পাৰি যে হাট-বজাৰত বস্তু কিনা-বেচা কৰাৰ কামত যান-বাহনে আমাক কিমান সুবিধা কৰি দিছে। হাট-বজাৰলৈ বয়-বস্তু অনা-নিয়াৰ উপৰি যান-বাহনে আমাৰ অন্য বহুতো কামত সহায় কৰি দিয়ে। উদাহৰণস্বৰূপে, দূৰ-দূৰণিলৈ বিয়া-সবাহ খাবলৈ, গ্ৰন্থমেলাকে ধৰি অন্য মেলাসমূহ চাবলৈ, বেলেগ বেলেগ ঠাই ফুৰিবলৈ আমাক যান-বাহন লাগেই। এয়েই নহয়, ভিন ভিন মানুহৰ মাজত সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলাতো যান-বাহনে সুবিধা কৰি দিছে।

তলৰ ল'ৰা-ছোৱালীবোৰৰ কথাৰ পৰা যান-বাহনে আমাক কেনেধৰণে সহায় কৰে জানি লওঁ আহা-



**আফৰীণৰ কথা —**

যোৱা দেওবাৰে গুৱাহাটীত থকা মামাহঁতৰ ঘৰলৈ মই ৰে'লেৰে ফুৰিবলৈ গৈছিলোঁ। মামাই মোক ৰে'ল আস্থানৰপৰা নিবলৈ আহিছিল। গুৱাহাটী ৰে'ল আস্থানৰ পৰা আমি অটো-ৰিক্সাৰে নিজৰাপাৰত থকা মামাহঁতৰ ঘৰ পালোঁগৈ। দুপৰীয়া ভাত-পানী খাই আবেলিলৈ মামাই তেওঁৰ মটৰ গাড়ীখনেৰে আমাক চিৰিয়াখানা দেখুৱাবলৈ নিলে।

**শেৱালিৰ কথা—**

যোৱা ব'হাগত মোৰ বাইদেউৰ বিয়া হৈ গ'ল। বিয়ালৈ দিল্লীত থকা মোৰ খুৰাৰ ল'ৰা মহেশ ককাইদেউ আহিব পাৰিব বুলি ভবাই নাছিলোঁ। কাৰণ তেওঁ ছুটী নাই বুলি জনাইছিল। কিন্তু সকলোকে আচৰিত কৰি উৰাজাহাজেৰে তেওঁ বিয়াৰ দিনা আহি ওলালহি। দিল্লীৰ পৰা মাত্ৰ তিনিঘণ্টাৰ ভিতৰতে তেওঁ গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰত নামিলহি।



**অৰুণৰ কথা—**




মোৰ দাদাই পঢ়া কলেজখন কপিলী নৈৰ সিপাৰে। দাদাই সদায় নাৱেৰে নদী পাৰ হৈ কলেজলৈ অহা-যোৱা কৰে। এদিন ময়ো দাদাৰ লগত নাৱত উঠি সিপাৰে থকা মাহীৰ ঘৰলৈ গৈছিলোঁ। নাৱত উঠি কি যে ভাল লাগিছিল!

**দুবৰিৰ কথা—**



যোৱাবাৰ ৰাসযাত্ৰাৰ সময়ত মা-দেউতাৰ লগত মই মাজুলীত থকা পেহীৰ ঘৰলৈ গৈছিলোঁ। আমি যোৰহাটৰ নিমাতীঘাটৰ পৰা ফেৰীৰে মাজুলী পাইছিলোঁগৈ। কমলাবাৰীত থকা পেহীয়ে আমাক বৰ আদৰ-সাদৰ কৰিলে। মাজুলীত থকা কেইদিন আমি ঘূৰি-পকি সত্ৰবোৰ চালোঁ।

**ৰূপালীৰ কথা—**



চাইকেলেৰে বস্তু বান্ধি বেচিবলৈ অহা ফেৰীৱালাজনক মায়ে ঘৰলৈ মাতি আনি কিবা-কিবি বস্তু কিনিলে। মোক ৰঙা ডাঙৰ বল এটা কিনি দিলে। আমাৰ বিপুল খুৰায়ো সদায় চাইকেলেৰে স্কুললৈ অহা-যোৱা কৰে। ডাঙৰ হ'লে খুৰাই মোকো এখন চাইকেল কিনি দিম বুলি কৈছে।

**নয়নৰ কথা —**



মই যোৱাবছৰ জেঠাইৰ ঘৰলৈ গৈছিলোঁ। জেঠাইৰ ঘৰখন ভিতৰুৱা গাঁৱত। ৰে'ল-আস্থানৰ পৰা জেঠাইৰ ঘৰলৈ বাছ, ৰিক্সা, অটোৰিক্সা একোৱেই নাযায়। সেয়েহে জেঠাইৰ ল'ৰা বাপুদাই এখন গৰুগাড়ীৰে আমাক ৰে'ল-আস্থানৰ পৰা লৈ গৈছিল। ছে দিয়া গৰু-গাড়ীৰে যাওঁতে গৰুৰ ডিঙিত বান্ধি থোৱা টিলিঙাৰ শব্দটো শুনি মোৰ বৰ ভাল লাগিছিল। বাপুদাইঁতে গৰু গাড়ীখনেৰে পথাৰৰ পৰা ধানো আনে।

➤ ওপৰৰ কথাখিনিৰ পৰা বিভিন্ন যান-বাহনৰ নামৰ এখন তালিকা প্ৰস্তুত কৰা (শিক্ষকৰ সহায়ত)।

### জানি লওঁ আহা—

কথোপকথনত থকা যান-বাহনৰ উপৰি আন কিছুমান যান-বাহনো কামত লগোৱা হয়।

- কম দূৰত্বৰ ঠাইলৈ ৰিক্সা আৰু চাইকেলেৰে অহা-যোৱা কৰা হয়।
- ঘোঁৰা-গাড়ী, ঠেলা-গাড়ী আদিৰে বয়-বস্তু অনা-নিয়া কৰা হয়।
- বাছত উঠি দূৰৰ ঠাইলৈ যাব পাৰি। তেনেদৰে বয়বস্তু দূৰলৈ ট্ৰাকেৰে কঢ়িওৱা হয়। মালবাহী ৰে'লগাড়ীৰে বহুত দূৰলৈ বয়-বস্তু অনা-নিয়া কৰিব পাৰি।
- ডাঙৰ নদী আৰু সাগৰত জাহাজ চলাচল কৰে। জাহাজেৰে মানুহ আৰু বয়-বস্তু কঢ়িওৱা হয়।

**ক্ৰিয়া-কলাপ**

বিভিন্ন যান-বাহনৰ ছবিৰে এলবাম প্ৰস্তুত কৰা — মাটিত চলা, পানীত চলা আৰু আকাশত উৰা।

### কিছুমান যান-বাহন যে নিৰ্দিষ্ট কামৰ বাবে ব্যৱহাৰ কৰা হয় জানি লওঁ আহা—




ৰোগীক চিকিৎসালয়লৈ নিবৰ বাবে এম্বুলেন্স ব্যৱহাৰ কৰা হয়।



জুই নুমোৱাবৰ বাবে অগ্নিনিৰ্বাপক গাড়ী ব্যৱহাৰ কৰা হয়।




নগৰত পানী যোগান ধৰিবলৈও গাড়ী ব্যৱহাৰ কৰা হয় ।




চিঠি-পত্ৰ কঢ়িয়াবৰ বাবে ডাকঘৰৰ ৰঙা গাড়ী ব্যৱহাৰ কৰা হয়।

## অনুশীলনী

১) উত্তৰ লিখা—

(ক) কেইখনমান যান- বাহনৰ নাম

(খ) তোমালোকৰ অঞ্চলত কি কি যান- বাহনৰ সুবিধা আছে?

(গ) প্ৰাণীয়ে টনা দুবিধ যান-বাহনৰ নাম

(ঘ) হাট-বজাৰলৈ বস্তু অনা-নিয়া কৰিবৰ বাবে ব্যৱহাৰ কৰা তিনিবিধ যান-বাহনৰ নাম

(ঙ) যান- বাহনৰ পৰা আমাৰ কি কি সুবিধা হয়?

২) 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা —

| 'ক' | 'খ' |
|---|---|
| মটৰ গাড়ী | আকাশত উৰে |
| উৰাজাহাজ | মাটিত চলে। |
| ফেৰী | জুই নুমোৱাত সহায় কৰে |
| মালবাহী ৰে'ল | পানীত চলে |
| অগ্নিনিৰ্বাপক গাড়ী | বস্তু অনা-নিয়া কৰে |

৩) খালী ঠাই পূৰ কৰা—

(ক) হাট - বজাৰত বিভিন্ন বস্তু ................................ কৰা হয়।

(খ) হাট-বজাৰত বিভিন্ন ধৰণৰ মানুহৰ লগত...................... ঘটে।

(গ) ঘোঁৰা-গাড়ীৰে .............................. অনা-নিয়া কৰা হয়।

(ঘ) ডাঙৰ নদীত .................................. চলাচল কৰে।

(ঙ) ভিন ভিন মানুহৰ মাজত সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলাতো.................................. সুবিধা কৰি দিছে।

৪) তোমাৰ ঘৰৰ পৰা তলত দিয়া ঠাইবোৰলৈ কি ধৰণৰ যান-বাহনত যাবা লিখা।
বিদ্যালয়লৈ, নৈৰ সিপাৰলৈ, দিল্লীলৈ।